
পাঠ ১৩

দ্ম, গ্ম, ল্ম, ন্ধ, ঞ্চ

## ডাক-ঘৰ



**শিক্ষক ঃ** ছাত্ৰ-ছাত্ৰীসকল, কাইলৈ বিদ্যালয়ত আমি পঢ়াশুনাৰ সলনি আন এটা কাম কৰিম।

**ৰিমঝিম ঃ** তেনেহ'লে কাইলৈ আমি কি কৰিম ছাৰ?

**শিক্ষক ঃ** কাইলৈ আমি এঠাইলৈ ফুৰিবলৈ যাম।

**ৰাতুল ঃ** বা! কি যে মজা হ'ব। ক'লৈ যাম ছাৰ?

**শিক্ষক ঃ** তোমালোকে পদ্মকাইক চিনি পোৱানে?

**ৰহিম ঃ** হয়, চিনি পাওঁ ছাৰ। পদ্মকায়ে চিঠি লৈ আহে নহয়?

**শিক্ষক ঃ** অ'। ঠিকেই কৈছা। কাইলৈ আমি আটায়ে মিলি ডাক-ঘৰ চাবলৈ যাম।



পিছদিনা আটায়ে শিক্ষকে কোৱাৰ ধৰণে বিদ্যালয়ৰ পৰা শাৰী পাতি শিক্ষকৰ লগত ডাক-ঘৰ পালেগৈ। শিক্ষকে ছাত্র-ছাত্রীক ডাক-ঘৰৰ কাম-কাজ বুজাই দিবলৈ পোষ্ট মাষ্টৰক অনুৰোধ কৰিলে।

**পোষ্ট মাষ্টৰ ঃ** ছাত্র-ছাত্রীসকল, তোমালোকে মন দি শুনিবা আৰু চাই ল'বা দেই।

**পৰী ঃ** ডাক-ঘৰৰ সন্মুখত যে ৰঙা বাকচটো আছে, সেইটোনো কি খুৰা?

**পোষ্ট মাষ্টৰ ঃ** সেইটো পোষ্ট বক্স বা ডাক বাকচ। চিঠি পঠিয়াবলৈ হ'লে ইয়াত ভৰাই থৈ গ'লেই হয়। পিছত চিঠিবোৰ উলিয়াই ছীল মাৰি ঠিকনা অনুসৰি নিৰ্দিষ্ট স্থানলৈ পঠিয়ায়। চিঠি পঠিয়াবলৈ হ'লে ঠিকনা লিখি ডাক টিকট লগাব লাগিব।

**কমল ঃ** আমাৰ সোঁফালে মানুহবোৰে কিয় শাৰীপাতি আছে খুৰা?

**পোষ্ট মাষ্টৰ ঃ** তেখেতসকলে টকা জমা থ'বলৈ আহিছে আৰু কিছু লোকে জমা টকা উলিয়াবলৈ আহিছে। কোনোৱে আকৌ ডাক টিকট কিনিবলৈ শাৰীপাতি আছে।

**চন্দন ঃ** আমি শুনিছোঁ যে ডাক-ঘৰৰ যোগেদি টকা-পইচাৰ উপৰি বস্তুও পঠিয়াব পাৰি।

**পোষ্ট মাষ্টৰ ঃ** হয়, তোমালোকে ডাক-ঘৰযোগে বস্তু, কিতাপ-পত্র পঠাব বা আনিব পাৰিবা। ইয়াকে পাৰ্চেল কৰা বোলে।

লুনা ঃ টকা-পইচানো কেনেকৈ পঠিয়াব পাৰি ?




**পোষ্ট মাষ্টৰ** ঃ টকা-পইচা পঠিয়াবলৈ হ'লে তোমালোকে প্ৰ-পত্ৰ পূৰণ কৰি টকা জমা দিলেই হ'ব। বাঁওফালৰ শাৰীপাতি থকা মানুহবোৰে তেনেদৰে টকা পঠিয়াবলৈ ৰৈ আছে। টকা পঠিওৱা কাৰ্যকে মনি-অৰ্ডাৰ কৰা বোলে।

**ৰহিম** ঃ আমাৰ দেউতাই যে সঞ্চয়ত পইচা থয়, সেইটোনো কি?

**পোষ্ট মাষ্টৰ** ঃ অ' সঞ্চয়ৰ কথা সুধিছা! আমাৰ পাছফালে যে শাৰীপাতি থকা সেই মানুহবোৰ দেখিছা, তাৰে কিছুমানে সঞ্চয় আঁচনিত টকা জমা দিবলৈ আহিছে।

**শিক্ষক** ঃ লুনা, ৰহিম ব'লা, আজিলৈ সময় হ'ল। আকৌ কেতিয়াবা আহিম।


**পোষ্ট মাষ্টৰ** ঃ তোমালোকে এতিয়া কিছু কথা শিকিলা। পিছলৈ আৰু বহু কথা জানিব পাৰিবা।

**ছাত্ৰ-ছাত্ৰী** ঃ ধন্যবাদ খুৰা, আমি আকৌ আহিম।



**পাঠটো পঢ়ি উত্তৰ দিয়া।**

- ডাক-ঘৰত কি কি কাম কৰা হয়?
- পাৰ্চেল কৰা মানে কি বুজা?
- ডাক-ঘৰৰ জৰিয়তে টকা-পইচা পঠালে কি বুলি কোৱা হয়?



**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

**পদ্ম   দ্ম = দ + ম   দই   মই   দ্ম**


| | | | |
|---|---|---|---|
| দ্ম | দ + ম | দই মই | দ্ম— পদ্ম, ছদ্ম |
| গ্ম | গ + ম | গই মই | গ্ম— যুগ্ম, অযুগ্ম |
| ল্ম | ল + ম | লই মই | ল্ম— গুল্ম, বাল্মীকি |
| হ্ম | হ + ম | হই মই | হ্ম— ব্ৰহ্মা, ব্ৰহ্মপুত্ৰ |
| ঞ্চ | ঞ + চ | ঞই চই | ঞ্চ— মঞ্চ, গুলঞ্চ |

**যুক্তাক্ষৰ গঠন কৰোঁ আহা**

| | | |
|---|---|---|
| দ + ম | দই মই | দ্ম |
| গ + ম | গই মই | গ্ম |
| ল + ম | লই মই | ল্ম |
| হ + ম | হই মই | হ্ম |
| ঞ + চ | ঞই চই | ঞ্চ |



*স্থানীয়ভাৱে থকা পঞ্চায়ত, থানা, নগৰসমিতি, চিকিৎসালয় আদিলৈ শিকাৰুক নি ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সুবিধা দিব। আলি-বাট পাৰ হওঁতে সোঁৱে-বাঁৱে চাবলৈ দিব। সদায় ৰাস্তাত বাওঁহাতে খোজ কাঢ়িব লাগে। এই কথাবোৰ বুজাই দিব।*



পঢ়োঁ আহা

| | | |
|---|---|---|
| পদ্মশ্ৰী | ছদ্মনাম | পদ্মাসন |
| বাগ্মী | বাগ্মিতা | বাগ্মীবৰ |
| গুল্ম | কল্মৌ | বাল্মীকি |
| ব্ৰাহ্মী | ব্ৰাহ্মণ | ব্ৰহ্মাণ্ড |
| বেঞ্চ | অঞ্চল | পেঞ্চিল |

বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰিছিল।

ব্ৰহ্মপুত্ৰ এখন ডাঙৰ নৈ।

ককা নীলমণি ফুকনক বাগ্মীবৰ বুলি জনা যায়।

পদ্ম মানে পদুমফুল।

পঞ্চতন্ত্ৰৰ সাধু সকলোৰে প্ৰিয়।

উপযুক্ত শব্দ ভৰাই বাক্য পূৰ কৰা।

| |
|---|
| পঞ্চম, সন্মুখ, ব্ৰাহ্মী, গুল্ম, পদ্ম |

(ক) পদুমফুলৰ আন এটা নাম ................................ ।

(খ) সৰু জোপোহা গছক ................................ বোলে।

(গ) ................................ এবিধ ঔষধি শাক ।

(ঘ) বিদ্যালয়ৰ ................................ ত ফুলৰ বাগিচা আছে।

(ঙ) কাঞ্চন ................................ শ্ৰেণীত পঢ়ে।

☞ *এই কাৰ্যটো কৰোঁতে শিকাৰুক সহায় কৰিব।*

## যুক্তাক্ষৰ ভাঙা আৰু শব্দ সাজা।

দ্ম ........................................

গ্ম ........................................

ল্ম ........................................

হ্ম ........................................

ষ্ণ ........................................

## ছবিৰ লগত নাম মিলোৱা।





ম'হ
মহ





বেল
বেল





হাত
হাট



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

চাই চাই লিখা।

# সঞ্চয় কৰা ভাল অভ্যাস।

তুমি লিখা চিঠিখন কেনেকৈ অন্য ঠাইত থকা তোমাৰ বন্ধুৰে পালে, ছবি চাই জানো আৰু কওঁ আহা



☞ *শিকাৰুক কাৰ্যটো কৰাত সহায় কৰিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*